**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 5-07-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

## HEADLINES

১। ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্যৰ মন্ত্ৰী-বিধায়কসকলৰ বান প্ৰভাৱিত অঞ্চল পৰিদৰ্শন। ক্ষতিগ্ৰস্তসকলৰ বাবে উদ্ধাৰ তথা সাহায্য অভিযানৰ যাৱতীয় পৰ্যালোচনা।

২। সম্পূৰ্ণতা অভিযানৰ অধীনত দৰং জিলাৰ পূব মঙলদৈ, ওদালগুৰিৰ ভেৰগাঁও আৰু ডিমা হাছাও জিলাৰ বিভিন্ন খণ্ডত আজি বিভিন্ন কাৰ্যসূচী গ্ৰহণ।

৩। প্ৰশাসনিক সংস্কাৰ আৰু জন অভিযোগ বিভাগত 'শিক্ষা সেতু অসম'লৈ কেন্দ্ৰীয় চৰকাৰৰ ২০২৪ বৰ্ষৰ ই-গভৰ্নেন্সৰ ৰাষ্ট্ৰীয় বঁটা।

৪। চলিত বৰ্ষৰ বাবে চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষাৰ নতুন সময়সূচী ঘোষণা।

আৰু

৫। চেন্নাইত অনুষ্ঠিত হ'বলগীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় মহিলা ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

ৰাজ্যৰ কোনো কোনো ঠাইত আজি বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও এতিয়াও ভালেমান ঠাই বানৰ কবলত আছে। ৰাজ্যখনৰ সাম্প্ৰতিক বানত ২৯ খন জিলাৰ ২১ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ কেইবাটাও স্থানত বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ খোৱাঙত বুঢ়ী দিহিং নৈৰ মথাউৰি ভাঙি জলমগ্ন হোৱা কেইবাখনো গাঁৱ আজি পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোৰ জনসাধাৰণে আশ্ৰয় লৈ থকা এটা শিবিৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি টেঙাখাট মহাবিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। বৰ্তমান ২৯৯ গৰাকী লোকে আশ্ৰয় লৈ থকা এই শিবিৰত প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰিবলৈ তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি জ্যেষ্ঠ ব্যক্তি আৰু শিশুসকলৰ বিশেষ যত্ন ল'বলৈ তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সৈতে আজিৰ ভ্ৰমণকালত পঞ্চায়ত আৰু গ্ৰমোন্নয়ন, খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে বিধায়ক চক্ৰধৰ গগৈ উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কৃত্ৰিম বানৰ কবলত পৰা ডিব্ৰুগড় নগৰৰ ভালেমান ঠাই পৰিদৰ্শন কৰে। তেওঁ জিলা প্ৰশাসনক কৃত্ৰিম বান ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি বান ক্ষতিগ্ৰস্ত ৰাইজক সাহাৰ্য প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰী বৰাই বানত ৬০ শতাংশতকৈও অধিক ক্ষতি হোৱা বাসগৃহসমূহৰ মেৰামতিৰ বাবে ৰাজ্য চৰকাৰে এক লাখ ২০ হাজাৰ টকাকৈ প্ৰদান কৰিব বুলি অৱগত কৰে। তেওঁ জিলাখনৰ বান ক্ষতিগ্ৰস্ত খেতিয়কসকলক অচিৰেই প্ৰধানমন্ত্ৰী ফচল বিমা আঁচনিত নিজৰ নাম

পঞ্জীয়ন কৰাৰ বাবে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে জিলাখনত ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে গঠন কৰা ৭২ জনীয়া এটা বিশেষ দলে কাইলৈৰ পৰা জিলাখনত জনসাধাৰণৰ ক্ষয়-ক্ষতিৰ বুজ ল'ব বুলি অৱগত কৰে। উল্লেখযোগ্য যে জিলাখনৰ দিচাংমুখ, দিখৌমুখৰ লগত ডিমৌ বিধানসভাৰ অধীনৰ ভালেমান অঞ্চল বানৰ কবলত পৰিছে। সাম্প্ৰতিক বানত জিলাৰ ১১৭ খন গাঁৱৰ ৮৮ হাজাৰ ৬০০ গৰাকী লোক প্ৰভাৱিত হৈছে। বিত্তমন্ত্ৰী অজন্তা নেওগে আজি গোলাঘাট জিলাৰ বান পৰিস্থিতিৰ সন্দৰ্ভত বুজ লোৱাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সময়মতে বান সাহাৰ্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে জিলাখনৰ আশ্ৰয়শিবিৰত থকা লোকসকলে যাতে সকলো ধৰণৰ সা-সুবিধা লাভ কৰাটো সুনিশ্চিত কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি বান ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে ১৫ আগষ্টৰ ভিতৰত জৰিপৰ প্ৰতিবেদন দাখিল কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে ৰাজ্যৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি মাজুলী জিলাৰ বান পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে আজি পুৱা শালমৰা অঞ্চল পৰিদৰ্শন কৰি বান ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ দুৰ্যোগৰ সময়ত  জনসাধাৰণৰ সেৱা আগবঢ়াবৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীৰ আজিৰ এই ভ্ৰমণকালত জিলা আয়ুক্ত কাবেৰী বি শৰ্মাৰ লগতে বিধায়ক ভুবন গাম উপস্থিত থাকে। যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে আজি মাজুলীৰ আউনী আটী সত্ৰৰ সমীপৰ ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে জুগুনীধাৰীৰ ছিগা মথাউৰীৰ অংশ পৰিদৰ্শন কৰাৰ লগতে জিলাখনৰ ভালেমান বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। ৰাজ্যৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধানসভা সমষ্টিৰ বামচেনীয়া দেউৰী গাঁৱত বান ক্ষতিগ্ৰস্ত লোকসকলক জিলা প্ৰশাসনৰ ফালৰ পৰা সাহায্য প্ৰদান কৰে।

গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰৰ জলস্তৰ সামান্য হ্ৰাস পাইছে যদিও জিলাখনৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ চাৰিটা ৰাজহচক্ৰৰ ২৯৭ খন গাঁও বৰ্তমান প্লাবিত হৈ আছে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে আজি জিলাৰ জলেস্বৰ সমষ্টিৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। তেওঁ লগতে বুঢ়া-বুঢ়ী অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰো পৰিদৰ্শন কৰে।

বৰপেটা জিলাৰ বান পৰিস্থিতি সামান্য উন্নত হোৱা পৰিলক্ষিত হৈছে। জিলাখনৰ কলগাছিয়াৰ কৰাৰকুৰত কালি বেকী নৈৰ দলঙৰ  পশ্চিম দিশৰ পথটো খহি যোৱাত যাতায়ত ব্যাহত হৈ থকাত জনসাধাৰণে সমস্যাৰ সন্মুখীন হৈছে। জিলা আয়ুক্তগৰাকীয়ে আজি ক্ষতিসাধন হোৱা পথটো পৰিদৰ্শন কৰি অচিৰেই মেৰামতি কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

বাক্সা জিলাৰ কেইবাখনো নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈ থকাত জিলাখনৰ সাম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে বিশেষ সতৰ্ককা গ্ৰহণ কৰিছে। জিলাখনত বান ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে ৭২টা আশ্ৰয় শিবিৰ সাজু কৰি ৰখা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে।

কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই আজি নগাঁও জিলাৰ জখলাবন্ধাৰ সমীপৰ হাতীমুৰাত ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে ক্ষতিসাধন কৰা মথাউৰিটো পৰিদৰ্শন কৰে। ইয়াৰ লগতে তেওঁ অঞ্চলটোৰ কেইবাটাও বান শিবিৰ পৰিদৰ্শন কৰে। গুৱাহাটী মহানগৰত যোৱা নিশা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত আজি অনিল নগৰ, নবীন নগৰ, ৰুক্মিণী গাঁৱকে ধৰি ভালেমান অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি

হয়। মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি মায়ং ৰাজহচক্ৰৰ অধীনৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে বান সাহাৰ্য বিতৰণৰ সবিশেষ বুজ লয়।

ইফালে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰো ৯৫টা বন শিবিৰ এলেকা প্লাবিত হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে ৰাষ্ট্ৰীয় উদ্যানখনত এতিয়ালৈতে ৩১টা বণ্যপ্ৰাণীৰ মৃত্যু হৈছে। ইয়াৰ উপৰি উদ্যানখনৰ ভালেমান জীৱ-জন্তুৱে উদ্যানখনৰ মাজে মাজে থকা ওখ ঠাইত আশ্ৰয় লোৱাৰ বিপৰীতে ভালেমান জীৱ জন্তু কাৰ্বি পাহাৰত আশ্ৰয় লৈছে। বানৰ সময়ছোৱাত জীৱ-জন্তুৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ অধীনৰ ৰাষ্ট্ৰীয় ঘাইপথত বাহনৰ চলাচলৰ ক্ষেত্ৰত জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজা পৰ্যন্ত ট্ৰাকসমূহ জিলা আৰক্ষী আৰু বন বিভাগৰ নিয়ন্ত্ৰণত আহ-যাহ কৰিব পাৰিব।

বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু হোৱাত ৰাজ্যখনৰ বানত এতিয়ালৈ মৃত্যুৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। ৰাজ্যৰ ১০৭টা ৰাজহচক্ৰৰ অধীনৰ তিনি হাজাৰ ২০০ খন গাঁৱৰ ৫৭ হাজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ, বৰাকৰ লগতে প্ৰায়বোৰ উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। এই বানত বিগত ২৪ ঘণ্টাত ১৪৫টা পথ, ১৩টা মথাউৰি আৰু দুখন দলং ক্ষতিগ্ৰস্ত হৈছে। ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চুবুৰীয়া অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সতৰ্কবাণী জাৰি কৰিছে। অসমত ৰাজ্য চৰকাৰে বিভিন্ন স্থানত ইতিমধ্যে ৪৫১টা সাহায্য বিতৰণ কেন্দ্ৰৰ লগতে ২৪৭টা সাহায্য কেন্দ্ৰ মুকলি কৰিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে ৰাজ্যখনত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে।

০০০০০০

দেশৰ বৃহৎ সংখ্যক নাগৰিকৰ অংশগ্ৰহণেৰে নিটি আয়োগৰ **সম্পূৰ্ণতা অভিযান** শীৰ্ষক বিশেষ অভিযান কালি আৰম্ভ হৈছে। অসমতো বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি, ডিমা হাচাও, পশ্চিম কাৰ্বি আংলং আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক এই অভিযানে সামৰি লৈছে। মুঠ ১১২ খন অভিলাষী জিলাৰ ৫০০টা খণ্ডত এই অভিযানৰ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অহা ৩০ ছেপ্তেম্বৰলৈকে ৩ মাহজুৰি চলিবলগীয়া এই অভিযানৰ লক্ষ্য হৈছে সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰা।

দৰং জিলাৰ পূব মঙলদৈ, ওদালগুৰিৰ ভেৰগাঁও আৰু ডিমা হাছাও জিলাৰ বিভিন্ন খণ্ডত আজি **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰা হৈছে। **ওদালগুৰি** জিলাৰ ভেৰগাঁও উন্নয়ন খণ্ডত আজি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই অভিযানৰ কাৰ্যসূচী আৰম্ভ কৰে। **তামুলপুৰ** জিলা প্ৰশাসন আৰু তামুলপুৰ উন্নয়ন খণ্ডৰ উদ্যোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত আজি এই সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত বি টি আৰৰ পাৰিষদ হেমন্ত ৰাভাৰ লগতে জিলা প্ৰশাসনৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থাকে। **মঙলদৈ** জিলাৰ আয়ুক্তৰ উদ্যোগত আজি জিলাখনত কেন্দ্ৰীয়ভাৱে সম্পূৰ্ণতা অভিযান উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত স্থানীয় সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় ক্ৰমে বসন্ত দাস আৰু পৰমানন্দ ৰাজবংশীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

আনহাতে, দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ফেকামাৰীত, কাছাৰ জিলাৰ লক্ষীপুৰত আৰু ধেমাজি জিলাৰ মুৰ্কংচেলেকত কাইলৈ এই অভিযান আৰম্ভ হ'ব।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ

ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

এই অভিযানত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও সম্পূৰ্ণ সহৃদয়তাৰে অংশগ্ৰহণ কৰিছে। অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ চৌখাম খণ্ডত ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰী চৌনা মেইনে কালি এই অভিযানৰ শুভাৰম্ভ কৰে। একেদৰে নাগালেণ্ডৰ কিফিৰেত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত বিধানসভাৰ সদস্য চি কিপ্লি সংগতমে কাৰ্যসূচীৰ আৰম্ভণি কৰে। ইপিনে মণিপুৰৰ চূড়াচান্দপুৰ জিলাৰ লমকা ছাউথ ব্লকত কালি আৰম্ভ হোৱা প্ৰথমটো কাৰ্যসূচীত মধুমেহ আৰু উচ্চ ৰক্তচাপৰ বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনিক সংস্কাৰ আৰু জন অভিযোগ বিভাগত ২০২৪ বৰ্ষৰ ই-গভৰ্নেন্সৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে শিক্ষা সেতু অসমক বাছনি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিক্ষাসেঁতুৰে এই স্বীকৃতিৰ বাবে সকলোকে অভিনন্দন জনাইছে। এই স্বীকৃতিয়ে প্ৰযুক্তিৰ জৰিয়তে শিক্ষাখণ্ডলৈ পৰিৱৰ্তন অনাৰ লক্ষ্যক প্ৰেৰণা যোগাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰিছে। উল্লেখযোগ্য যে অহা ৮ আৰু ৯ আগষ্টত মুম্বাইত অনুষ্ঠিত হ'বলগীয়া ই-গভৰ্নেন্সৰ ২৭ সংখ্যক ৰাষ্ট্ৰীয় সন্মিলনৰ সময়তে সমগ্ৰ শিক্ষা অসমক এই বঁটা প্ৰদান কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০০

চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা অহা ১১ আগষ্টত দুটা সময়সূচীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান পৰীক্ষা পৰিষদে আজি পৰীক্ষাৰ সংশোধিত সময়সূচী জাৰি কৰিছে। উল্লেখযোগ্য যে প্ৰৱেশিকা পৰীক্ষা যোৱা মাহত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কিছুমান প্ৰতিযোগিতামূলক পৰীক্ষাত আসোঁৱাহৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত পৰীক্ষাৰ এদিন আগেয়ে পৰীক্ষা স্থগিত কৰা হৈছিল।

০০০০০০

জি এছ টি সন্দৰ্ভত ব্যৱসায়ীসকলৰ অভিযোগ নিষ্পত্তিৰ বাবে গঠিত ৰাজ্য কেবিনেট সমিতিয়ে আজি গোলাঘাট জিলাৰ দেৰগাঁৱত এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিত্তমন্ত্ৰী অজন্তা নেওগ, জিলা কৰ অধীক্ষক পল্লৱ কুমাৰ ঝা, বিধায়ক ভৱেন্দ্ৰ নাথ ভঁৰালীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই বৈঠকত যোৰহাট, গোলাঘাট, মাজুলী আৰু শিৱসাগৰ জিলাৰ ব্যৱসায়িক সংস্থাৰ প্ৰতিনিধিৰ লগত ব্যৱসায়ীসকলে দীৰ্ঘদিন ধৰি সন্মুখীন হৈ অহা সমস্যাসমূহৰ বিষয়ে তথ্য সংগ্ৰহ কৰা হয়।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে দক্ষিণ আফ্ৰিকাৰ সৈতে তিনিখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইতিমধ্যে দুয়োখন দেশৰ মাজত তিনিখনীয়া এদিনীয়া শৃংখলা আৰু এখন টেষ্ট মেচ অনুষ্ঠিত হয়। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে দক্ষিণ আফ্ৰিকাৰ বাবে যথেষ্ট প্ৰত্যাহ্বান

হৈ থিয় দিছে। দক্ষিণ আফ্ৰিকাৰ দলটোৱে এতিয়ালৈকে এখন মেচত জয়ী হ'ব পৰা নাই। এদিনীয়া শৃংখলাত ভাৰতে ৩-০ৰ ব্যৱধানত শৃংখলা দখল কৰাৰ বিপৰীতে একমাত্ৰ টেষ্ট মেচখনত ১০ উইকেটত বিজয়ী হয়।

oooooo

ঃসমাপ্তঃ